Semester II (Regular)

GE2: Indian Philosophy

**প্ৰশ্ন:-** ৰামানুজৰ জীৱ সম্বন্ধীয় ধাৰণাৰ চমু ব্যাখ্যা দিয়া।

**উত্তৰ:-** শংকৰৰ অদ্বৈত বেদান্ত দৰ্শনৰ পিছত মুখ্য দাৰ্শনিক হ'ল ৰামানুজ। ৰামানুজৰ অদ্বৈত বেদান্ত দৰ্শন 'বিশিষ্টাদ্বৈতবাদ' নামে জনাজাত।

ৰামানুজৰ মতে দেহযুক্ত আত্মাই জীৱ। শংকৰাচাৰ্যৰ দৰে ৰামানুজৰ মতেও ব্ৰহ্মই পৰমসত্য। কিন্তু চিৎ বা জীৱাত্মা আৰু অচিৎ বা বস্তু ব্ৰহ্মৰ অবিচ্ছেদ্য অংশ। চিৎ আৰু অচিৎ বিশিষ্ট ব্ৰহ্মহে পৰমাৰ্থ সত্য। শংকৰাচাৰ্যৰ দৰে জীৱ বা আত্মাক চৈতন্যস্বৰূপ বুলি ৰামানুজে কোৱা নাই। তেওঁৰ মতে চৈতন্য আত্মাৰ বিশেষণ। দেহযুক্ত আত্মা বা জীৱ স্বয়ং জ্ঞানসম্পন্ন।

ৰামানুজৰ মতে, ব্ৰহ্ম জীৱৰ উপাদান আৰু নিমিত্ত কাৰণ। ব্ৰহ্ম জীৱৰ উপাদান কাৰণ, কিয়নো জীৱ ব্ৰহ্মৰ চিৎ অংশৰ পৰা জাত, আৰু জীৱদেহ ব্ৰহ্মৰ অচিৎ অংশৰ দ্বাৰা সৃষ্ট। ব্ৰহ্ম জীৱৰ আত্মা আৰু জীৱ হ'ল তেওঁৰ দেহ আৰু বিশেষণ। আনহাতে ব্ৰহ্ম জীৱৰ নিমিত্ত কাৰণ, কিয়নো ব্ৰহ্মই জীৱৰ নিয়ন্তা, জীৱ ব্ৰহ্মৰ দ্বাৰা নিয়ন্ত্ৰিত। ৰামানুজে কয় যে জীৱ নিত্য আৰু জন্ম-মৃত্যু ৰহিত। জীৱ শৰীৰ, মন, ইন্দ্ৰিয়, ~~আৰু~~ অহংকাৰ আৰু বুদ্ধিৰ পৰা ভিন্ন। জীৱ স্বপ্ৰকাশ, আত্মসচেতন আৰু জ্ঞানাশ্ৰয়। ৰামানুজৰ মতে, 'অহম' আৰু আত্মা সমাৰ্থক। সুষুপ্তি আৰু মোক্ষ অৱস্থাত আত্মা 'অহম' ৰূপে প্ৰতিভাত হয়। অবিদ্যা আৰু কৰ্মৰ কাৰণে জীৱ বন্ধনযুক্ত হৈ জন্ম-মৃত্যুৰ চক্ৰত আবদ্ধ হয়। মোক্ষ অৱস্থাৰ কৰ্মফল তেতিয়া বিনাশ হোৱা বাবে জীৱৰ জ্ঞান আৰু আনন্দ ব্ৰহ্মৰ দৰে নিত্য, বিভু আৰু অনন্ত হৈ পৰে। এনে অৱস্থাত জীৱাত্মা জ্ঞানী ও জ্ঞানবান আৰু জ্ঞান স্বৰূপ হয়। ~~তেওঁ জীৱাত্মাৰ অহং~~ (~~Pure ego~~)

গতিকে, ৰামানুজৰ মতে ব্ৰহ্ম সত্য, ব্ৰহ্মৰ অংশ হিচাপে

জীৱ আৰু জগতো সত্য। সেয়েহে ৰামানুজৰ দৰ্শন 'বিশিষ্টাদ্বৈতবাদ' নামে জনাজাত। ব্ৰহ্মৰ অস্তিত্ব অবিহনে জীৱ আৰু জগতৰ অস্তিত্ব অৰ্থহীন। ব্ৰহ্মৰ লগত জীৱ আৰু জগতৰ সম্বন্ধ দ্ৰব্য আৰু গুণৰ সম্বন্ধ। ই এক অবিচ্ছেদ্য সম্বন্ধ। এই সম্বন্ধক ৰামানুজে 'অপৃথকসিদ্ধি' বুলি অভিহিত কৰিছে। জীৱ আৰু ব্ৰহ্মৰ অভিন্নতাক বুজোৱাৰ বাবে ৰামানুজে উপনিষদৰ 'তত্ত্বমসি' মহাবাক্যৰ সহায় লৈছে। ৰামানুজৰ মতে, 'তত্ত্বমসি' অৰ্থাৎ 'তুমিয়েই সেই ব্ৰহ্ম' বা 'তুমিয়ে ব্ৰহ্ম' এই মহাবাক্যৰ অৰ্থ হ'ল জীৱাত্মা আৰু পৰমাত্মা এক। জীৱ ব্ৰহ্মৰপৰা ভিন্ন হ'লেও স্বৰূপত অভিন্ন। জীৱ-জগত ব্ৰহ্মাশ্ৰিত কাৰণে জীৱ-জগতৰ পৃথক সত্তা নাই। এই অৰ্থত জীৱ-জগত ব্ৰহ্মৰপৰা 'অপৃথকসিদ্ধ' বা অভিন্ন।

ৰামানুজে জীৱৰ তিনিটা অৱস্থাৰ কথা স্বীকাৰ কৰিছে। সেইকেইটা হ'ল— বদ্ধ, মুক্ত আৰু নিত্য-মুক্ত। বদ্ধ জীৱ বন্ধনযুক্ত। বদ্ধজীৱে অবিদ্যাবশত কৰ্মত লিপ্ত হৈ মায়াত আবদ্ধ হয় আৰু দুখ-কষ্ট ভোগ কৰে। এনে জীৱ চাৰিপ্ৰকাৰৰ— স্থাৱৰ, পশু, মানৱ আৰু অতিমানৱ। বদ্ধজীৱ জাগ্ৰত, স্বপ্ন, সুষুপ্তি, মূৰ্চ্ছা আৰু মৰণ— এই পাঁচ অৱস্থাপ্ৰাপ্ত হয়। বদ্ধজীৱক কৰ্মী আৰু জ্ঞানী হিচাবেও ভাগ কৰা হৈছে। কৰ্মী জীৱ পুণ্যাত্মা আৰু পাপী উভয়েই হ'ব পাৰে। জ্ঞান, কৰ্ম আৰু ভক্তিৰ ফলত বদ্ধ জীৱে মুক্তি লাভ কৰিব পাৰে। কিন্তু এই আত্যন্তিক নহয়। নিত্য-মুক্ত জীৱ সম্পূৰ্ণ বন্ধনমুক্ত, এনে জীৱ কেতিয়াও বন্ধনযুক্ত নহয়।